**63/1 (SEM–1) ASM HC 1026 (CC 2)**

0l

**2021**

( Held in 2022 )

Central Library ☆ Salbari College, Salbari

ASSAMESE

Paper : CC–2

**( History of Assamese Language )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়া প্রশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) অসমীয়া ভাষা তলৰ কোনটো প্ৰাকৃতৰ পৰা উদ্ভৱ হৈছে?

*(i)* মহাৰাষ্ট্ৰী প্ৰাকৃত

*(ii)* কামৰূপী প্ৰাকৃত

*(iii)* মাগধী প্ৰাকৃত

*(iv)* নিয়া প্ৰাকৃত

(খ) *Assamese : Its Formation and Development* গ্ৰন্থখন কাৰ ৰচনা?

*(i)* সুনীতি কুমাৰ চেটাৰ্জী

*(ii)* মহেশ্বৰ নেওগ

*(iii)* গ্ৰীয়াৰ্ছন

*(iv)* বাণীকান্ত কাকতি

(গ) 'হাজাৰ বৎসৰেৰ পুৰাণ বাঙালা ভাষায় বৌদ্ধগান ও দোহা' কোন চনত প্ৰকাশিত হৈছিল?

(i) ১৯০৭

(ii) ১৯২৬

(iii) ১৯৪১

(iv) ১৯৪৬

(ঘ) 'শ্ৰীকৃষ্ণ কীৰ্তন' পুথিখনৰ প্ৰথম সম্পাদক কোন?

(i) বসন্তৰঞ্জন ৰায়

(ii) হৰপ্ৰসাদ শাস্ত্ৰী

(iii) সুকুমাৰ সেন

(iv) ৰামাই পণ্ডিত

(ঙ) "অসমীয়া ভাষাটো বিভিন্ন অনা-আৰ্য ভাষাৰ সাগৰৰ মাজত এটা সৰু দ্বীপৰ নিচিনা।" কথাষাৰ কোনে কৈছিল?

(i) গ্ৰীয়াৰ্ছন

(ii) বাণীকান্ত কাকতি

(iii) কনকলাল বৰুৱা

(iv) কালিৰাম মেধি

(চ) 'আৱাহন' আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল?

(i) লক্ষ্মীনাথ বেজবৰুৱা

(ii) পদ্মনাথ গোহাঞি বৰুৱা

(iii) হেমচন্দ্ৰ বৰুৱা

(iv) দীননাথ শৰ্মা





২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) 'শ্ৰীকৃষ্ণ কীৰ্তন'ৰ মূল চৰিত্ৰ কেইটা? কাব্যখনত কিমানটা খণ্ড আছে?

(খ) হেম সৰস্বতীয়ে ৰচনা কৰা দুখন কাব্যৰ নাম লিখা।

(গ) চৰিত সাহিত্য কোন যুগৰ সাহিত্য? ৰামচৰণ ঠাকুৰ বিৰচিত এখন চৰিত-পুথিৰ নাম লিখা।

(ঘ) 'বুৰঞ্জী' শব্দটো কি ভাষাৰ শব্দ আৰু ইয়াৰ অৰ্থ কি?

(ঙ) মিছনেৰী যুগৰ দুগৰাকী অ-মিছনেৰী লেখকৰ নাম লিখা।

৩। তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো ছয়টাৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) তাম্ৰশাসন আৰু শিলালিপিসমূহত প্ৰাচীন অসমীয়া গদ্যৰ নিদৰ্শন কেনে ৰূপত পোৱা যায়, লিখা।

(খ) "সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলোঁ"—মাধৱ কন্দলিৰ ৰামায়ণৰ আধাৰত এই উক্তিৰ তাৎপৰ্য আলোচনা কৰা।

(গ) "বুৰঞ্জীৰ গদ্য মধ্যযুগীয় অসমীয়া গদ্যৰ সাৰ্থক নিদৰ্শন।" এই উক্তিৰ আধাৰত বুৰঞ্জীৰ গদ্যৰ বিশেষত্ব আলোচনা কৰা।

(ঘ) 'কথা গুৰু চৰিত'ৰ ধ্বনিতাত্ত্বিক বিশেষত্ব আলোচনা কৰা।

(ঙ) 'অৰুণোদয়' কাকতৰ জৰিয়তে আধুনিক গদ্যৰ প্ৰাৰম্ভিক স্তৰত অৰিহণা যোগোৱা অসমীয়া লেখকৰ গদ্যৰ বিশেষত্ব সম্পৰ্কে আলোচনা কৰা।

(চ) হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ গদ্যৰ তুলনামূলক আলোচনা আগবঢ়োৱা।



Scanned with OKEN Scanner

(ছ) ‘জোনাকী’ কাকতৰ জৰিয়তে অসমীয়া গদ্য-সাহিত্যলৈ কেনেধৰণৰ পৰিৱৰ্তন আহিল, আলোচনা কৰা।

(জ) লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰীতিত অসমীয়া ভাষাৰ বিশুদ্ধ জতুৱা ঠাঁচ আৰু নিভাঁজ শব্দ প্ৰয়োগৰ বিচিত্ৰতা কেনেদৰে প্ৰকাশ পাইছে, তেওঁৰ ৰচনাবাজিৰ আধাৰত আলোচনা কৰা।

(ঝ) ‘অসমীয়া ভাষাৰ বিৱৰ্তনত আৱাহন কাকতৰ ভূমিকা’— শীৰ্ষক এক আলোচনা যুগুত কৰা।

৪। তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো দুটাৰ উত্তৰ লিখা : ১০×২=২০

(ক) মান্য অসমীয়া ভাষাৰ লগত চৰ্যাপদৰ ভাষাৰ ধ্বনিগত সাদৃশ্য ক’ত ক’ত দেখা যায়, উদাহৰণ দি আলোচনা কৰা।

(খ) পাঁচালী কবিসকলৰ ভাষা সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) অৰুণোদয় যুগৰ ভাষা সম্পৰ্কে আলোচনা কৰা।

৫। তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো এটাৰ উত্তৰ লিখা : ১৪

(ক) ‘গুৰুচৰিত কথা’ আৰু বুৰঞ্জীৰ গদ্যশৈলীৰ এক তুলনামূলক আলোচনা কৰা।

(খ) ভট্টদেৱৰ গদ্যৰ বৈশিষ্ট্যবাজি বহলাই আলোচনা কৰা।

★★★





**2021**

( Held in 2022 )

Central Library
Baksa
Pin-781320
Estd 1983
Salbari College, Salbari

# ECONOMICS

Paper : CC–2

**( Introductory Macroeconomics )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Choose the correct option of the following : 1×6=6

*(a)* There is a greater welfare if income distribution is

*(i)* favourable to the rich

*(ii)* favourable to the middle income group

*(iii)* favourable to the poor

*(iv)* None of the above

*(b)* The injections to the income flows in a country include

*(i)* investment

*(ii)* government spending

*(iii)* exports

*(iv)* All of the above



Scanned with OKEN Scanner

(c) What will be MPC when MPS = 0?

- (i) One
- (ii) Zero
- (iii) Two
- (iv) Infinite

(d) Supply creates its own demand. Who gave this law?

- (i) J. B. Say
- (ii) J. S. Mill
- (iii) Keynes
- (iv) Ricardo

(e) Keynes' theory deals with

- (i) full employment
- (ii) underemployment
- (iii) overemployment
- (iv) All of the above

(f) The aggregate demand function slopes

- (i) positively
- (ii) negatively
- (iii) horizontally
- (iv) None of the above

**2.** Answer the following questions : 2×5=10

(a) Define circular flow of income.

(b) Mention any two assumptions of Say's law of market.





(c) Distinguish between factor income and transfer income.

(d) Define the marginal efficiency of capital.

(e) What is the meaning of aggregate demand and aggregate supply?

**3.** Answer any *six* of the following questions : 5×6=30

(a) Explain the circular flow of income in a two-sector model.

(b) Explain Say's law of market.

(c) What is meant by effective demand? How is it determined?

(d) Explain the classical model of employment.

(e) Write five limitations of Keynes' theory of income and employment.

(f) What do you mean by liquidity preference? State the Keynes' motives of the demand for money.

(g) What is meant by propensity to consume? Discuss the two types of propensity to consume.

(h) Distinguish between stock and flow of income.

(i) Distinguish between $NNP_{fc}$ and $GDP_{mp}$.



Scanned with OKEN Scanner

**4.** Answer any *two* of the following questions : 10×2=20

(a) Discuss the classical theory of output and employment determination without savings and investment.

(b) Explain in detail the value-added method of calculating national income.

(c) Bring out the technical attributes related to a short-run linear consumption function.

**5.** Answer any *one* of the following questions : 14

(a) How is equilibrium income determined in Keynes' model?

(b) From the data given below, calculate national income ($NNP_{fc}$) :

| S.No. | *Items* | ₹ (in crores) |
|---|---|---|
| 1 | Indirect taxes | 125 |
| 2 | Depreciation | 100 |
| 3 | Royalty | 10 |
| 4 | Profits | 100 |
| 5 | Subsidies | 20 |
| 6 | $GDP_{mp}$ | 900 |
| 7 | Interest | 25 |
| 8 | Rent | 50 |
| 9 | NFIA | (–) 20 |

★★★



Scanned with OKEN Scanner

**2020**

# ELECTIVE ASSAMESE

Paper : 6.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) ‘‘অয়ে দাৰুক, সত্বৰে ৰথ আনহু। কুণ্ডিনক চলিকহু এতিক্ষনে জাঞ্ঙ।’’ কথাষাৰ কোনে কৈছিল ?

(খ) ‘বিশ্বৰূপ দৰ্শন’ পাঠটো ক’ৰ পৰা লোৱা হৈছে ?

(গ) ‘ৰামৰ বন গমন’ পাঠটো ‘ৰামায়ণ’ৰ কোনটো কাণ্ডত আছে ?

(ঘ) ‘ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক’ পাঠটোৰ লেখক কোন ?

(ঙ) হেমচন্দ্ৰ বৰুৱাৰ পিতৃৰ নাম কি আছিল ?

(চ) হেমচন্দ্ৰ বৰুৱাৰ ‘অসমীয়া ভাষাৰ ব্যাকৰণ’ কিমান চনত প্ৰকাশ পাইছিল ?



Scanned with OKEN Scanner

(ছ) “সেইধাৰ মোৰ ডিঙিৰ সোণৰ শিকলি” বুলি বৰবৰুৱাই কোনখন নৈৰ কথা কৈছিল?

(জ) *Divina Commedia* কোনে লিখিছিল?

(ঝ) ‘করুণ ৰস’ কোনটো স্থায়ীভাৱৰ পৰা উদ্ভৱ হয়?

(ঞ) ভৰত মুনিয়ে ‘নাট্যশাস্ত্ৰ’ত কেইবিধ ৰসৰ উল্লেখ কৰিছিল?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) “হে গুৰু, তুহু পাঠ কৰহ, হামু শুনিয়ে ৰহু।” বুলি কোনে, কাক কৈছিল?

(খ) “তুমি সূৰ্য্যবংশৰ শিৰোমণি হয়া জেবে সত্য চড়াহ, উপৰি বংশ সমে তেবে নৰকে ভুঞ্জিবা।” বুলি কোনে, কাক উদ্দেশ্যি কৈছিল?

(গ) বৰবৰুৱাই ‘মোৰ গামখাৰুযোৰ’ বুলি কোন দুখন নৈৰ কথা কৈছিল?

(ঘ) সাহিত্যত করুণ ৰসক কি দুটা ভাগত ভাগ কৰা হৈছে?

(ঙ) বেজবৰুৱাৰ দুখন ধেমেলীয়া নাটৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ৰুক্মিণীয়ে কাৰ হাতত কৃষ্ণলৈ পত্ৰ দি পঠিয়াইছিল আৰু তেওঁ কৃষ্ণৰ দৰ্শন পোৱাৰ পিছত কি কৈছিল, নিজৰ ভাষাত লিখা।





(খ) ‘ৰামৰ বন গমন’ত লক্ষ্মণৰ চৰিত্ৰটো কিদৰে চিত্ৰিত হৈছে, লিখা।

(গ) ভট্টদেৱৰ গদ্যৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) ‘আত্মজীৱন চৰিত’ত হেমচন্দ্ৰ বৰুৱাই বিধৱা বিবাহৰ সপক্ষে কি যুক্তি আগবঢ়াইছে, লিখা।

(ঙ) তোমাৰ পাঠ্যৰ আধাৰত বাণীকান্ত কাকতিৰ গদ্যৰীতি সম্পৰ্কে চমুকৈ লিখা।

(চ) “ভগৱান কৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি পাঁচভাৱে প্ৰকাশ পায়।” এই পাঁচভাৱৰ পৰা কি পাঁচ প্ৰকাৰ ভক্তি ৰসৰ সৃষ্টি হয়, লিখা।

৪। (ক) ‘শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ’ পাঠটো ক’ৰ পৰা লোৱা হৈছে? ইয়াত বৰ্ণনা কৰা কথাখিনি নিজৰ ভাষাত লিখা। ১+৯=১০

*অথবা*

(খ) ‘বিশ্বৰূপ দৰ্শন’ অধ্যায়টো ক’ৰ পৰা লোৱা হৈছে? শ্ৰীকৃষ্ণৰ বিশ্বৰূপৰ বৰ্ণনা পাঠটোত কেনেদৰে দিছে? ১+৯=১০

৫। (ক) ‘ৰামৰ বন গমন’ পাঠটোৰ আধাৰত ৰঘুনাথ মহন্তৰ গদ্যৰীতি সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) ‘ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ’ পাঠটোত থকা মোট খেলাৰ বৰ্ণনাখিনি নিজৰ ভাষাত দিয়া।



Scanned with OKEN Scanner

৬। (ক) 'ৰবৰুৱাৰ বিমান বিহাৰ' পাঠটোৰ আধাৰত বেজবৰুৱাৰ অসম প্ৰীতি কিদৰে প্ৰকাশ পাইছিল, নিজৰ ভাষাত লিখা। ১০

অথবা

(খ) 'আত্মজীৱন চৰিত' পাঠটোৰ পৰা হেমচন্দ্ৰ বৰুৱাৰ শিক্ষা আৰু সাহিত্য জীৱন সম্পৰ্কে যিখিনি জানিব পাৰি, লিখা।

৭। (ক) 'সাহিত্যত করুণ ৰস' প্ৰবন্ধটোত লিখকে করুণ ৰসকে আটাইতকৈ মধুৰ ৰস বুলি প্ৰতিপন্ন কৰিবলৈ কিদৰে চেষ্টা কৰিছে, লিখা। ১০

অথবা

(খ) অঙ্কীয়া নাটৰ ৰস সম্পৰ্কে প্ৰবন্ধকাৰে কোৱা কথাখিনি নিজৰ ভাষাত লিখা।

★★★



Scanned with OKEN Scanner

# 2020

## ELECTIVE ASSAMESE

Central Library
Baksa
Pin-781320
Estd. 1983
Salbari college, Salbari

Paper : 6.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া চুটিগল্পৰ বিকাশত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা ‘আৱাহন’ কাকতৰ প্ৰথম সম্পাদক কোন আছিল?

(খ) জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি?

(গ) ‘গল্পাঞ্জলি’ নামৰ গল্পপুথিখনৰ গল্পকাৰজনৰ নাম কি?

(ঘ) শীলভদ্ৰৰ প্ৰকৃত নাম কি আছিল?

(ঙ) জলনাৰায়ণ কোন?

(চ) নদৰামৰ সৈতে লেখকৰ চিনাকি ক’ত হৈছিল?

(ছ) ১৯৮০ চনত ‘পৃথিৱীৰ অসুখ’ নামৰ গল্প-সংকলনৰ বাবে কোনে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?



Scanned with OKEN Scanner

(জ) 'ডাৱৰ আৰু নাই' উপন্যাসখন উজনি অসমৰ কোনখন চহৰৰ পটভূমিত ৰচিত?

(ঝ) বাঘৰ আৰু অনুপমাৰ জীয়েকৰ নাম কি?

(ঞ) ড০ ভবেন্দ্ৰনাথ শইকীয়াই ৰচনা কৰা এখন কিশোৰ উপযোগী গ্ৰন্থৰ নাম লিখা।

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

(খ) 'মাকনৰ গোঁসাই' গল্পটোৰ মূল চৰিত্ৰ দুটাৰ নাম কি কি?

(গ) নদ্‌ৱামে ক'ত, কাৰ সৈতে যুদ্ধ কৰিছিল?

(ঘ) বাৰিষা গল্পত উল্লেখ থকা দুজন মাছ বেপাৰীৰ নাম লিখা।

(ঙ) 'ডাৱৰ আৰু নাই' উপন্যাসত কোনখন বিশ্বযুদ্ধৰ কথা বৰ্ণিত হৈছে? সেইখন যুদ্ধত এটা ৰবাব টেঙাৰ দাম কিমান হোৱা বুলি উপন্যাসখনত আছে?

৩। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) জনজাতীয় জীৱনৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা অসমীয়া উপন্যাস সন্দৰ্ভত এটি টোকা লিখা।

(খ) 'মধুপুৰ বহুদূৰ' গল্পটোত থকা তগৰ বহুৰূপীৰ চৰিত্ৰটো আলোচনা কৰা।



(Continued)



(গ) 'মধুপুৰ বহুদূৰ' গল্পৰ চন্দ্ৰ পীজ নামৰ ব্যক্তিজনৰ কৰ্মৰ বিচিত্ৰতা সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'ডাৱৰ আৰু নাই' উপন্যাসৰ বাঘৰ আৰু অনুপমা চৰিত্ৰ দুটিৰ বিশ্লেষণ কৰা।

(ঙ) যুদ্ধৰ পৰা ঘূৰি আহি নদ্‌ৱামে নিজৰ ঘৰত উপস্থিত হৈ কি 'মামলা'ৰ মীমাংসা কৰিবলৈ বিচাৰিছিল? 'মামলা'টোৰ মীমাংসা কৰিবলৈ নদ্‌ৱামে কি কি কৰিছিল?

(চ) 'বাৰিষা' গল্পটোৰ নামকৰণৰ তাৎপৰ্য লিখা।

৪। (ক) আবাহন যুগৰ চুটিগল্পৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা। ১০

অথবা

(খ) যুদ্ধোত্তৰ (২য় বিশ্বযুদ্ধৰ পিছৰ) যুগৰ অসমীয়া উপন্যাসৰ বিষয়ে আলোচনা কৰা।

৫। (ক) 'নদ্‌ৱাম' গল্পটোত জনজাতীয় জীৱনৰ ত্যাগ, সৰলতা আৰু উদাৰতাৰ ছবি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

অথবা

(খ) 'মাকনৰ গোঁসাই' গল্পৰ আধাৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ চুটিগল্পৰ বৈশিষ্ট্যবোৰ লিখা।



(Turn Over)

Scanned with OKEN Scanner

৬। (ক) 'মধুপুৰ বহুদূৰ' গল্পত মধুপুৰৰ অতীত আৰু বৰ্তমানৰ ৰূপ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'বাৰিষা' গল্পত গ্ৰাম্য জীৱনৰ ছবি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৭। (ক) 'ডাৱৰ আৰু নাই' উপন্যাসখনত যুদ্ধৰ ভয়াবহতা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) যুদ্ধই অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনলৈ কেনে পৰিৱৰ্তন আনিছিল, আলোচনা কৰা।

★★★



Scanned with OKEN Scanner

**63/1 (SEM–1) ASM AE 1012 (AECC 1)**

**2021**

( Held in 2022 )

ASSAMESE

Paper : AECC–1

**[ Functional Assamese (Communicative) ]**

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

Central Library
Salbari college, Salbari
Baksa
Pin 781320
Estd 1983

১। তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৫=৫

(ক) 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' পুথিখন কাৰ ৰচনা?

*(i)* হেমচন্দ্ৰ বৰুৱা

*(ii)* গোলোক চন্দ্ৰ গোস্বামী

*(iii)* উপেন্দ্ৰনাথ গোস্বামী

*(iv)* সত্যনাথ বৰা

(খ) অন্তঃস্থ ধ্বনিৰ আন এটা নাম হৈছে

*(i)* পাৰ্শ্বিক ধ্বনি

*(ii)* উষ্ম ধ্বনি

*(iii)* কম্পিত ধ্বনি

*(iv)* শ্ৰুতি ধ্বনি



Scanned with OKEN Scanner

(গ) ধাতু কেই প্ৰকাৰৰ?

(i) ২ প্ৰকাৰৰ

(ii) ৩ প্ৰকাৰৰ

(iii) ৪ প্ৰকাৰৰ

(iv) ৬ প্ৰকাৰৰ

(ঘ) অসমীয়াত চতুৰ্থী বিভক্তি কি?

(i) ৰ

(ii) এ

(iii) ৰে, দি

(iv) লৈ

(ঙ) তলৰ কোনটো বিশেষণীয় বিশেষণৰ উদাহৰণ?

(i) ধুনীয়া ছোৱালী

(ii) মনে মনে থাকা

(iii) টিকটিকীয়া ৰঙা ফুল

(iv) বগা কাগজ

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অল্পপ্ৰাণ আৰু মহাপ্ৰাণ বৰ্ণ কাক বোলে?

(খ) নাম ধাতু কি? নাম ধাতুত কি কি প্ৰত্যয় যোগ হয়?





(গ) সমাপিকা ক্ৰিয়া কাক বোলে? সমাপিকা ক্ৰিয়াৰ এটা উদাহৰণ দিয়া।

(ঘ) আবেদন পত্ৰৰ প্ৰধান ভাগসমূহ উল্লেখ কৰা।

(ঙ) যোগাযোগৰ দুটা মাধ্যম কি কি?

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো পাঁচটা) : ৫×৫=২৫

(ক) কৃৎপ্ৰত্যয় বুলিলে কি বুজা? উদাহৰণ সহকাৰে বুজাই লিখা।

(খ) বিশেষ্য পদ কেইবিধ? প্ৰত্যেক বিধৰ উদাহৰণ দি চমুকৈ আলোচনা কৰা।

(গ) ৰচনা লিখাৰ কৌশল সম্পৰ্কে চমুকৈ লিখা।

(ঘ) উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুসৰি অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিৰ তালিকাখন প্ৰস্তুত কৰা।

(ঙ) অসমীয়া ভাষাৰ লিংগ নিৰূপণ প্ৰক্ৰিয়া সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(চ) গ্ৰন্থ সম্পাদনাৰ ক্ষেত্ৰত প্ৰুফ ৰিডাৰৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখা।

(ছ) মৌখিক যোগাযোগৰ ক্ষেত্ৰত শৰীৰৰ অংগী-ভংগী আৰু আচৰণৰ গুৰুত্ব সম্পৰ্কে চমুকৈ আলোচনা কৰা।



Scanned with OKEN Scanner

৪। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) তোমাৰ অঞ্চলৰ জনসাধাৰণৰ যাতায়তৰ সুবিধাৰ বাবে বাট-পথ নিৰ্মাণ বা মেৰামতিৰ বাবে গড়কাপ্তানী বিভাগৰ কাৰ্যবাহী অভিযন্তালৈ এখন আবেদন প্ৰস্তুত কৰা।

(খ) স্বাস্থ্য বিভাগৰ উদ্যোগত তোমাৰ অঞ্চলত এটি বিনামূলীয়া স্বাস্থ্যশিবিৰ অনুষ্ঠিত কৰাৰ সবিশেষ জনাই বাতৰি-কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন প্ৰস্তুত কৰা।

★ ★ ★



Scanned with OKEN Scanner

**2021**

( Held in 2022 )

Central Library
Baksa
Pin-781320
Estd. 1983
Salbari college, Salbari

ASSAMESE

Paper : ASM–HE–5016

**( Study of Assamese Folk Literature )**

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া লোক-সাহিত্যক কেইটা ভাগত ভাগ কৰিছে?

(খ) হেমচন্দ্ৰ গোস্বামীৰ মতে অসমীয়া গীতি যুগৰ সময় কিমান?

(গ) নিচুকণি গীত কোন শ্ৰেণীৰ লোকগীতৰ অন্তৰ্গত?

(ঘ) ‘পানী কৰতি’ পুথিখন কি ভাষাত ৰচিত?

(ঙ) জনপ্ৰবাদ অনুসৰি ডাক পুৰুষৰ জন্মস্থান ক’ত?



Scanned with OKEN Scanner

(চ) 'ঐনিতম' অসমৰ কোনটো জনগোষ্ঠীৰ লোকগীত?

(ছ) সকলোতকৈ প্ৰাচীন বুৰঞ্জীমূলক গীতটোৰ নাম কি?

(জ) 'পানেশই' কোন শ্ৰেণীৰ মালিতাৰ অন্তৰ্গত?

(ঝ) 'মালিনী বাৰীৰ' কথা কোনটো গীতত পোৱা যায়?

(ঞ) 'বাৰমাহী' গীতত কেইটা মাহৰ কথা পোৱা যায়?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) মন্ত্ৰ সাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) দুবিধ জনশ্ৰুতিমূলক গীতৰ নাম লিখা।

(গ) দুটা সমকালীন মালিতাৰ নাম উল্লেখ কৰা।

(ঘ) নাৰীসকলৰ মাজত প্ৰচলিত দুবিধ ধৰ্মীয় গীতৰ নাম লিখা।

(ঙ) 'নলুৱা-চলুৱাৰ গীত' অসমৰ কোনটো জনগোষ্ঠীৰ গীত আৰু ইয়াৰ মূলভাৱটো কি?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ডাকৰ বচন

(খ) অনুষ্ঠানমূলক লোকগীত

(গ) বুৰঞ্জীমূলক গীত

(ঘ) ৰাভাসকলৰ গছকটা গীত

(ঙ) কন্যা বাৰমাহী গীত

(চ) মিচিংসকলৰ 'মিবু আঃ বাং' গীত





৪। (ক) অসমীয়া লোক-সাহিত্যৰ বৈশিষ্ট্যসমূহ নিৰূপণ কৰি ইয়াৰ শ্ৰেণীবিভাজন কৰি দেখুওৱা। ১০

অথবা

(খ) বড়ো অথবা ৰাভা জনগোষ্ঠীৰ লোক-সাহিত্য সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১০

৫। (ক) অসমীয়া মন্ত্ৰ-সাহিত্য সম্পৰ্কে বিৱৰি লিখা। ১০

অথবা

(খ) ফকৰা-যোজনাবোৰৰ মাজেৰে লোকমনৰ কি স্বৰূপ প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

৬। (ক) নাৰীকেন্দ্ৰিক জনশ্ৰুতিমূলক আখ্যান-গীতৰ সম্পৰ্কত এটি আলোচনা দাঙি ধৰা। ১০

অথবা

(খ) দুটামান কৃত্ৰিম মালিতাৰ বিষয়বস্তু সম্পৰ্কে তোমাৰ অভিমত ব্যক্ত কৰা। ১০

৭। (ক) অসমৰ যি কোনো এটা জনগোষ্ঠীৰ উৎসৱৰ লগত জড়িত গীতসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা। ১০

অথবা

(খ) বাৰমাহী গীতত প্ৰেম আৰু বিৰহৰ চিত্ৰ কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

★★★



Scanned with OKEN Scanner

Central Library
Baksa
Pin-781320
Estd. 1983
Salbari college, Salbari

**2021**

( Held in 2022 )

# ASSAMESE

Paper : ASM-HC-5016

( অসমীয়া নাটক আৰু পৰিবেশনশৈলী )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমৰ প্ৰাচীন লোকনাট্য অনুষ্ঠান এটিৰ নাম লিখা।

(খ) 'ঝুমুৰা'ৰ এটি বিশেষত্ব লিখা।

(গ) এখন অসমীয়া এবচাৰ্ড নাটকৰ নাম লিখা।

(ঘ) অসমৰ প্ৰাচীন নাট মঞ্চ (নাট পৰিবেশনৰ স্থান) এখনৰ নাম লিখা।

(ঙ) 'অৰ্জুন ভঞ্জন' নাটৰ আন এটা নাম কি?



Scanned with OKEN Scanner

(চ) 'ৰুক্মিণী হৰণ' নাটৰ কাহিনীভাগৰ মূল কি?

(ছ) 'নীলাম্বৰ' নাটকৰ মুঠ চৰিত্ৰসংখ্যা কিমান?

(জ) 'আহাৰ' নাটকৰ প্ৰেয়সী চৰিত্ৰটোৰ নাম কি?

(ঝ) 'উকথা' শব্দৰ অৰ্থ কি?

(ঞ) 'ৱেটিং ফৰ গডো' নাটকখনৰ নাট্যকাৰ কোন?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) উত্তৰ-শংকৰী যুগৰ দুখন নাটৰ নাম লিখা।

(খ) অংকীয়া নাটত সন্নিৱিষ্ট দুবিধ গীতৰ (শ্লোক আৰু ভটিমাক সামৰি) নাম লিখা।

(গ) ৰুক্মিণীৰ পিতৃ আৰু ভাতৃৰ নাম লিখা।

(ঘ) 'আহাৰ' নাটকৰ প্ৰথম অংকৰ মঞ্চসজ্জাত থকা গেটখনৰ নাম কি? গেটখনত কেইটা স্তম্ভ আছে?

(ঙ) উত্তৰ-স্বাধীনতা যুগৰ অসমীয়া নাটকৰ দুটা বিশেষত্ব লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) 'নীলাম্বৰ' নাটকৰ যি কোনো এটি পুৰুষ চৰিত্ৰৰ চাৰিত্ৰিক বিশেষত্ব বিশ্লেষণ কৰা।

(খ) 'ৰুক্মিণী হৰণ' নাটত শংকৰদেৱৰ মৌলিকত্ব ক'ত ক'ত প্ৰকাশ পাইছে, আলোচনা কৰা।





(গ) 'উকথা' নাটকৰ বন্দী চৰিত্ৰটিৰ স্বৰূপৰ এটি বিৱৰণ দাঙি ধৰা।

(ঘ) "বং, বহি পৰা বেৰ
উৰলি যোৱা মাৰলি—
এনে পৰিবেশত কবিতাৰ স্বপ্নক বুজিব নোৱাৰি।"

কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল, লিখা।
১+১+৩=৫

(ঙ) 'আহাৰ' নাটকত নলিনীয়ে নিজৰ সংসাৰ আৰু পত্নী অণিমা সেই সংসাৰত নিমজ্জিত হৈ পৰাৰ বিৱৰণ কেনেদৰে দিছে?

(চ) অসমীয়া লোকনাটৰ পৰিবেশনশৈলী সম্পৰ্কে এটি টোকা লিখা।

৪। (ক) অংকীয়া নাটৰ পৰিবেশনশৈলীৰ বিৱৰণ দিয়া। ১০

অথবা

(খ) অংকীয়া নাটৰ আহাৰ্যৰ বিষয়ে লিখা।

৫। (ক) অসমীয়া নাটকৰ পৰিবেশনশৈলীৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১০

অথবা

(খ) নাটক পৰিবেশনত 'মঞ্চ'ৰ গুৰুত্ব কিমান সেই বিষয়ে 'নীলাম্বৰ' নাটকৰ আধাৰত এটি প্ৰবন্ধ যুগুত কৰা।



Scanned with OKEN Scanner

৬। (ক) 'আহাৰ' নাটকৰ কাহিনীত 'এবচাৰ্ড' নাটকৰ বিশেষত্ব কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'আহাৰ' নাটকৰ সংলাপ সম্পৰ্কে এটি বিশ্লেষণাত্মক আলোচনা লিখা।

৭। (ক) "চালখন ধপ্‌ধপাইছে—
যদি উৰি যায়—
মাৰলিত ধৰি
ময়ো উৰি যাম—
ঈগল পখীৰ দৰে ... উৰি ... ম ..."

সংলাপটিৰ বক্তা কোন? এই বক্তাজন (চৰিত্ৰটো)ৰ সংলাপৰ মাজেৰে কেনেধৰণৰ জীৱনবোধ প্ৰকাশ পাইছে, আলোচনা কৰা। ১+৯=১০

*অথবা*

(খ) "গোটেই মজিয়াখন পানী। যেন ৰঙা নদীখন বৈ আহিছে। (দীঘল দীঘল খোজ দিয়ে) ক'ত থিয় দিওঁ। ক'লৈ যাওঁ। হে ভগবান! এই মহাপ্ৰলয় সামৰি লোৱা।" কথাষাৰৰ আলমত 'উৰুখা' নাটকৰ মাজেৰে প্ৰকাশ পোৱা জীৱনৰ অস্থিৰতা, সংকটৰ বিষয়ে আলোচনা কৰা। ১০

★★★



Scanned with OKEN Scanner

Central Library
Baksa
Pin-781320
Estd. 1983
Salbari
Salbari College

**2021**

( Held in 2022 )

ASSAMESE

Paper : ASM–HE–5036

( শংকৰদেৱ )

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) শংকৰদেৱে ৰচনা কৰা এখন ভক্তিতত্ত্বমূলক গ্ৰন্থৰ নাম লিখা।

(খ) শংকৰদেৱে ৰচনা কৰা 'জয় জয় নৃপতি ৰসজান' শীৰ্ষক ৰাজভটিমাটিত কোন ৰজাৰ প্ৰশস্তি বৰ্ণিত হৈছে?

(গ) বৰগীতসমূহক কোনে song celestial আখ্যা দিছিল?

(ঘ) 'কীৰ্ত্তনঘোষা'ৰ খণ্ডসমূহ কোনে একত্ৰিত কৰি গ্ৰন্থৰ ৰূপ দিছিল?



Scanned with OKEN Scanner

(ঙ) মুক্তিমংগল ভটিমা কি ?

(চ) হৰিশ্চন্দ্ৰ উপাখ্যান কাব্যৰ মূল কি ?

(ছ) 'পাৰিজাত হৰণ' নাট অনুসৰি ইন্দ্ৰই কাৰ অভিযোগ লৈ কৃষ্ণৰ ওচৰ চাপিছিল ?

(জ) 'সাৰংগপানি হে' শীৰ্ষক বৰগীতটোত উল্লেখিত 'নিৰয়-নিৱাৰ' শব্দই কি বুজাইছে ?

(ঝ) কীৰ্ত্তনৰ শিশুলীলা খণ্ডত উল্লেখ থকা মতে শিশু কৃষ্ণই গোবৰ্দ্ধন ধাৰণ কৰি কাৰ দৰ্প চূৰ কৰিছিল ?

(ঞ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যৰ আৰম্ভণিতে বশিষ্ঠ মুনিয়ে ৰজা হৰিশ্চন্দ্ৰক কোন দেৱতাৰ পূজা কৰিবলৈ নিৰ্দেশ দিছিল ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) শংকৰদেৱে ৰচনা কৰা প্ৰথমখন আৰু অন্তিমখন অংকীয়া নাট কি আছিল ?

(খ) 'নাৰায়ণ কাহে' শীৰ্ষক বৰগীতটোত থকা 'অগ নগ জগ তেৰি কায়া' গীতাংশত উল্লেখিত 'অগ' আৰু 'নগ' শব্দৰ অৰ্থ লিখা।

(গ) কীৰ্ত্তনৰ গজেন্দ্ৰ উপাখ্যান খণ্ডত 'দশোদিশে প্ৰকাশিয়া শোভে শুক্লগিৰি' বুলি কোন পৰ্বতৰ কথা উল্লেখ কৰা হৈছে ? এই পৰ্বতখন কোন সাগৰৰ মাজত অৱস্থিত ?

(ঘ) ৰজা হৰিশ্চন্দ্ৰৰ পত্নী আৰু পুত্ৰৰ নাম কি আছিল ?

(ঙ) অদিতি কোন ? তেওঁ কৃষ্ণক কিয় আশীৰ্বাদ দিছিল ?





৩। উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) শংকৰদেৱৰ সাহিত্যৰাজিৰ শ্ৰেণীবিভাজন কৰি দেখুওৱা।

(খ) গজেন্দ্ৰ উপাখ্যানত ভক্তিৰ মাহাত্ম্য কিদৰে প্ৰকাশ পাইছে ?

(গ) 'নাৰায়ণ কাহে' শীৰ্ষক বৰগীতটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(ঘ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যত সন্নিৱিষ্ট বিশ্বামিত্ৰ ঋষিৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(ঙ) অংকীয়া নাটৰ বিশেষত্বসমূহ উল্লেখ কৰা।

(চ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

"দেৱী সত্যভামা, তোহ্মাৰি স্বামী শ্ৰীকৃষ্ণক<br>
ৰবি বিষম চেষ্টা দেখল, হাঁ হাঁ মাৱ, তুহ<br>
দুৰ্ভাগ্য ভেলি, হামু আজুসে জানলোঁ॥"

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) বৈষ্ণৱ সাহিত্যৰ পটভূমি সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(খ) বৰগীতৰ বিশেষত্বসমূহ উদাহৰণসহ আলোচনা কৰা।

(গ) 'কীৰ্ত্তনঘোষা'ৰ জনপ্ৰিয়তাৰ কাৰণসমূহ বিশ্লেষণ কৰা।

(ঘ) 'হৰিশ্চন্দ্ৰ উপাখ্যান কাব্যত অসমীয়া সমাজজীৱনৰ চিত্ৰ কিদৰে উজ্জ্বলি উঠিছে, আলোচনা কৰা।



Scanned with OKEN Scanner

(ঙ) ‘পাৰিজাত হৰণ’ নাটৰ ৰস সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(চ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ কাব্যত কবিৰ মৌলিকতা বিচাৰ কৰা।

(ছ) ‘কীৰ্ত্তনঘোষা’ গ্ৰন্থত দাৰ্শনিকতত্ত্ব কিদৰে প্ৰকাশিত হৈছে, বৰ্ণনা কৰা।

(জ) ‘পাৰিজাত হৰণ’ নাটত পঞ্চসন্ধিৰ প্ৰয়োগ দেখুৱাই এটি আলোচনা যুগুত কৰা।

★★★



Scanned with OKEN Scanner